অসম

জাগীৰোডত একশৰণ মহাপুৰুষীয়া সমাজৰ নৱম প্ৰতিষ্ঠা দিৱস পালন

জাগীৰোডৰ হাতীউঠা বৰনলনী পথাৰ শংকৰী কলা-কৃষ্টি কেন্দ্ৰৰ বৰ নামঘৰত তিনিদিনীয়া কাৰ্যসূচীৰে একশৰণ মহাপুৰুষীয়া সমাজৰ নৱম প্ৰতিষ্ঠা দিৱস আৰু মহা পালনাম-কীৰ্তন অনুষ্ঠিত হয়।

প্ৰকাশ: ১৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৩২



(NewzNow)

জাগীৰোড, ৩ নৱেম্বৰ: জাগীৰোডৰ হাতীউঠা বৰনলনী পথাৰ শংকৰী কলা-কৃষ্টি কেন্দ্ৰৰ বৰ নামঘৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে একশৰণ মহাপুৰুষীয়া সমাজৰ নৱম সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু মহা পালনাম-কীৰ্তন অনুষ্ঠিত হয়।

শুকুৰবাৰৰ পৰা আৰম্ভ হোৱা ধৰ্মীয় অনুষ্ঠানটোৰ প্ৰথম দিনা ভকত-বৈষ্ণৱসকলক আদৰণি জনোৱাৰ লগতে নামযজ্ঞ অনুষ্ঠিত হয়।

দ্বিতীয় দিনা ধৰ্মধ্বজা উত্তোলন, ভাগৱত পাঠ, নাম-প্ৰসংগ আৰু একশৰণ মহাপুৰুষীয়া সমাজৰ ‘ইতিবৃত্তি’ শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হয়।

অন্তিম দিনা পুৱা মহা পালনামৰ সামৰণি আৰু ভাগৱত শোভাযাত্ৰাৰে তিনিদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰে।

© 2026 NewzNow

অনুষ্ঠানটোত পাঁচ শতাধিক ভক্তপ্রাণ ৰাইজে অংশগ্রহণ কৰে। ভক্তসকলৰ হৰিনামৰ ধ্বনিৰে সমগ্র হাতীউঠা অঞ্চল মুখৰিত হৈ পৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3327/jagiroad-eksharan-mahapurushiya-samaj-foundation-day